Total No. of Printed Pages—6

**24 T—ADAS**

# 2014

## ADVANCE ASSAMESE

*Full Marks* : 100
*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) বৰ্ষাকালৰ বৰ্ণনাৰ মাজেৰে শংকৰদেৱে ভক্তিধৰ্মৰ তাত্ত্বিক কথাবোৰ কিদৰে বৰ্ণনা কৰিছে, লিখা। ৫

*অথবা*

(খ) 'মানৱ বন্দনা' কবিতাটিৰ অন্তৰ্নিহিত সাৰমৰ্মৰ আভাস দিয়া।

২। প্ৰসংগ-সংগতি দৰ্শাই তলৰ যি কোনো **এছোৱা** ব্যাখ্যা কৰা : ১+৩=৪

(ক) বিশ্বৰ সৌন্দৰ্য খনি! জন্মভূমি তই মাথোঁ
এচমকা ব্ৰহ্মাণ্ডৰ হিয়া;

(খ) ই যে হীনতা-নীচতা, ভীৰুতা-দীনতা জোকাৰি পেলোৱা ভাৱ,
ই যে এক ৰূপ ৰসে, একে ৰঙে চঙে এক কৰি দিয়া ছাৰ।

৩। (ক) ব্ৰহ্মাণ্ডত চালি-জাৰি ক'তো হ'লে পোৱা নাই
এদিনৰ কাৰণেও
সৰলতা আজি তেনেকুৱা।

কবিয়ে ক'ত, কি সৰলতা নোপোৱাৰ কথা কৈছে? ৩

(খ) তপ উপবাসে দেহা আছিল শুখাই।
দুনাই ভোগ ভুঞ্জিলাত আপুনি পুষ্টাই॥

ইয়াত কাৰ দেহা 'শুখাই' আছিল? ই কেনেকৈ পুষ্ট হ'ল, লিখা। ৩

(গ) প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটোৰ নাম কি? ইয়াৰ ৰচক কোন? ১+১=২





৪। চমু উত্তৰ দিয়া : ১×৩=৩

(ক) 'ইন্দ্ৰধনু'ৰ কবি বুলি কাক কোৱা হয়?

(খ) শ্ৰীমন্ত শংকৰদেৱৰ নাম-প্ৰসংগমূলক গ্ৰন্থ এখনৰ নাম লিখা।

(গ) সাহিত্য অকাডেমী বঁটা লাভ কৰা অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতা পুথিখনৰ নাম লিখা।

৫। (ক) অসমীয়া বুৰঞ্জী কাৰ দান? বুৰঞ্জী লেখিবলৈ গৈ বহুতে কিদৰে ভুল কৰে? 'বুৰঞ্জীৰ দৌৰাত্ম্য' নামৰ পাঠটিৰ আধাৰত ব্যাখ্যা কৰা। ১+৪=৫

*অথবা*

(খ) অসমত বিষুৱ সংক্ৰান্তিৰ কালত পালন কৰা বিহু অনুষ্ঠানৰ সমপৰ্যায়ৰ অনুষ্ঠান ভাৰতৰ আন আন ঠাইত দেখা যায়নে, আলোচনা কৰা। ৫

৬। অসমীয়া জাতিলৈ মাধৱদেৱৰ অৱদান সম্পৰ্কে চমুকৈ লিখা। ৩

৭। (ক) তলৰ যি কোনো **দুটাৰ** বিষয়ে চমু টোকা লিখা : ২×২=৪

ন্যায়; আসাম বন্ধু; মিৰি জীয়ৰী; অথৰ্ববেদ।

(খ) চমু উত্তৰ দিয়া : ১×৩=৩

(১) বৈদিক সাহিত্যৰ অন্তিম ভাগৰ নাম কি?

(২) লক্ষ্মীধৰ শৰ্মাৰ এখন গল্প-পুথিৰ নাম লিখা।

(৩) ড০ প্ৰফুল্লদত্ত গোস্বামীৰ জন্মস্থানৰ নাম লিখা।

৮। 'কপিলীপৰীয়া সাধু' উপন্যাসত বৰ্ণিত বানপানীৰ দৃশ্য তোমাৰ নিজৰ ভাষাৰে বৰ্ণনা কৰা। ৫

৯। (ক) বেথাৰাম কোন? তেওঁৰ আচল ঘৰ ক'ত আছিল? চমুকৈ লিখা। ১+৩=৪

(খ) তলৰ যি কোনো **দুটাৰ** বিষয়ে চমুকৈ লিখা : ৩×২=৬

গোসাঁই পুখুৰী ; ভাঙুৰী ভকত ; ৰূপাই ; সুলভ দোকানী।

১০। (ক) বসু কোন? তেওঁৰ শিক্ষাগত অৰ্হতা কি? ১+১=২

(খ) "সেইগ্লান কি হা?" এনেকৈ কোনে, কাক কৈছিল? ১+১=২

(গ) 'কপিলীপৰীয়া সাধু'ৰ লেখক কোন? ১

১১। (ক) 'আমাৰ ছাৰ' কোন? তেওঁৰ বিষয়ে চমুকৈ লিখা। ১+৪=৫

*অথবা*

(খ) বলোৰাম মেধি কোন? তেওঁ কিয় হাতী কিনিছিল? হাতীটো পিচত কি হ'ল? ২+১+২=৫

১২। (ক) "কি ক'লি? বাপধনক বেছি মটৰ কিনিব খোজ?" এনেকৈ কোনে, কাক, কিয় প্ৰশ্ন কৰিছিল? ১+১+১=৩

(খ) যোগেশ দাসে কোনখন পুথিৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে? ১

(গ) হোমেন বৰগোহাঞিৰ এখন আত্মজীৱনীমূলক গ্ৰন্থৰ নাম লিখা। ১





১৩। (ক) চুটিগল্প কি? ইয়াৰ তিনিটা প্ৰধান বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰা। ৪

*অথবা*

(খ) চুটিগল্প আৰু সাধুকথাৰ প্ৰধান প্ৰভেদবোৰৰ বিষয়ে আলোচনা কৰা।

১৪। তলৰ যি কোনো **দুটাৰ** বিষয়ে চমুকৈ লিখা : ৩×২=৬

(ক) সামাজিক উপন্যাস

(খ) চুটিগল্পৰ চৰিত্ৰ

(গ) উপন্যাসত লেখকৰ জীৱনদৰ্শন

(ঘ) চুটিগল্প আৰু উপন্যাসৰ পাৰ্থক্য

১৫। (ক) সাহিত্যত অলংকাৰ বুলিলে কি বুজা? ইয়াৰ প্ৰধান ভাগ দুটাৰ প্ৰতিটোৰে সূত্ৰ লিখি উদাহৰণ দিয়া। ২+২+২=৬

(খ) তলৰ যি কোনো **দুবিধ** অলংকাৰৰ সূত্ৰ লিখি উদাহৰণ দিয়া : ২+২=৪

উপমা ; অতিশয়োক্তি ; অনুপ্ৰাস ; যমক।

১৬। (ক) অসমীয়া সাহিত্যত কোনে প্ৰথম চুটিগল্প সংযোজন কৰে? তেওঁৰ চুটিগল্পৰ পুথিসমূহ উল্লেখ কৰি এটি আলোচনা আগবঢ়োৱা। ১+৫=৬

(খ) পদ্মনাথ গোহাঞিবৰুৱা *বা* ৰজনীকান্ত বৰদলৈৰ উপন্যাসবোৰৰ চমু পৰিচয় দিয়া। ৫

(গ) (১) লক্ষ্মীনাথ বেজবৰুৱাৰ উপন্যাসখনৰ নাম কি?

(২) অসমীয়া সাহিত্যত প্ৰথম উপন্যাসখনৰ নাম কি?

(৩) ৰজনীকান্ত বৰদলৈৰ জনজাতীয় জীৱনক লৈ ৰচনা কৰা উপন্যাসখনৰ নাম কি?

(৪) শৰৎচন্দ্ৰ গোস্বামীৰ এখন চুটিগল্প পুথিৰ নাম লিখা। ১+১+১+১=৪

★★★